**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-01-2025
**Time :** 19-50 Hrs

***Assamese Evening Bulletin***
HEADLINE

১। এখন দেশ, এটা নিৰ্বাচন বিধেয়কখনে সুপ্ৰশাসনৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিব বুলি গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

২। সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত অদম্য সাহস আৰু বীৰত্বৰ পৰিচয় দিয়া কৰ্পোৰেল দাভি সঞ্জয় হিফ্‌ফাবাই আৰু অমন সিং হংসক ৰাষ্ট্ৰপতিয়ে শৌৰ্য চক্ৰৰে সন্মানিত কৰিছে।

৩। সমগ্ৰ দেশে কাইলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰিব।

৪। দিল্লীত বিজেপি ক্ষমতালৈ আহিলে দলটোৱে ৰাজধানীখনত ৫০ হাজাৰ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি দিব বুলি প্ৰতিশ্ৰুতি দিছে।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি টুৱেণ্টি ক্ৰিকেট শৃংখলা  দ্বিতীয়খন খেল চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়াম অনুষ্ঠিত হৈছে।

ooooo

সংসদত উত্থাপিত এখন দেশ, এটা নিৰ্বাচন বিধেয়কখনে সুপ্ৰশাসনৰ সংজ্ঞা নতুনকৈ নিৰ্ধাৰণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন পৰিকল্পনাই প্ৰশাসনলৈ সুস্থিৰতা আনিব, নীতি স্থবিৰতা দূৰ কৰিব, সম্পদৰ বিচ্যুতি ৰোধ কৰিব আৰু বিত্তীয় বোজা লাঘৱ কৰিব। এনেধৰণৰ ব্যাপক সংস্কাৰৰ বাবে সাহসী দৃষ্টিভংগীৰ প্ৰয়োজন বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশত ১৯৪৭ চনৰে পৰা ভাৰতীয় জনসাধাৰণৰ মাজত শিপাই থকা ঔপনিৱেসিক মানসিকতাৰ পৰিৱৰ্তনৰ বাবে শক্তিশালী প্ৰচেষ্টা চলি আছে। ভাৰতীয় দণ্ডবিধি, ফৌজদাৰী কাৰ্যবিধি আৰু ভাৰতীয় সাক্ষ্য আইনৰ ঠাইত ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধীনিয়ম প্ৰণয়নৰ সিদ্ধান্ত এনে প্ৰচেষ্টাৰ অন্যতম বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। তেওঁ কয়, যে নতুন ফৌজদাৰী আইন তিনিখনে শাস্তি প্ৰদানৰ পৰিৱৰ্তে ন্যায় প্ৰদানৰ বিষয়টো ফৌজদাৰী ন্যায় ব্যৱস্থাৰ মূল কেন্দ্ৰৰূপে পৰিগণিত কৰিছে। তেওঁ লগতে নতুন আইনকেইখনৰ মহিলা আৰু শিশুৰ বিৰুদ্ধে হোৱা অপৰাধ ৰোধ কৰাত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা বুলি মন্তব্য কৰে।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে নাগৰিক প্ৰমূল্যৰাজি কেইবাশতিকা ধৰি জনসাধাৰণৰ নৈতিকতাৰ অংশ হৈ থকা বাবেই সংবিধান জীৱন্ত নথিৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে বিগত ৭৫ বছৰ ধৰি সংবিধানে দেশক প্ৰগতিৰ পথ দেখুৱাই আহিছে।

গণৰাজ্য দিৱস সকলো জনসাধাৰণৰ বাবে সমূহীয়া আনন্দ আৰু গৌৰৱৰ বিষয় বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে বিগত ৭৫ বছৰত ভাৰতে মৈত্ৰী ৰাষ্ট্ৰসমূহৰ মাজত সঠিক স্থান লাভ কৰাৰ দিশত অগ্ৰসৰ হ'বলৈ সমৰ্থ হৈছে। ভাৰত এসময়ত প্ৰাচীন সভ্যতাসমূহৰ ভিতৰত জ্ঞান আৰু প্ৰজ্ঞাৰ উৎসৰূপে জনাজাত আছিল বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে বিদেশী শাসনৰ হাতোৰাৰ পৰা মাতৃভূমিক মুক্ত কৰাৰ বাবে চৰম ত্যাগ কৰা শাহসী বীৰসকলৰ কথাও স্মৰণ কৰে। দেশে এইবছৰ ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জন্মবাৰ্ষিকী পালন কৰিব বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে গণতান্ত্ৰিক প্ৰমূল্যৰাজী পুনৰুত্থানত সহায় কৰা মহাত্মা গান্ধী, ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু বাবাচাহেব আম্বেদকাৰৰ দৰে মহান সন্তানসকলক লাভ কৰাটো দেশৰ বাবে গৌৰৱৰ কথা।

তেওঁ কয়, যে বিগত কেইটামান বছৰত দেশৰ অৰ্থনৈতিক বিকাশৰ হাৰ নিৰন্তৰ উচ্চ হৈ আছে আৰু ইয়াৰ ফলত যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ ন ন সুযোগ সৃষ্টি হৈছে। দেশত উপান্ত সম্প্ৰদায়ৰ লোক বিশেষকৈ অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ সহায়ৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

ভাৰতৰ সভ্যতাগত ঐতিহ্যৰ বিষয়ে উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বৰ্তমান প্ৰয়াগৰাজত চলি থকা মহাকুম্ভমেলা এনে ঐতিহ্যৰ চহকী অভিব্যক্তি। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশৰ ভাষীক বৈচিত্ৰ্যৰ সংৰক্ষণৰ বাবে অসমীয়া, বাংলা, মাৰাঠী, পালী আৰু প্ৰাকৃত ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে।

শিক্ষা সন্দৰ্ভত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে চৰকাৰে এই শিতানত বিনিয়োগ বৃদ্ধি কৰিছে। ভাৰতে এলানি শৃংখলাৰ মাধ্যমেৰে অত্যাধুনিক গৱেষণাত অংশগ্ৰহণ বৃদ্ধি কৰিছে বুলিও তেওঁ মন্তব্য কৰে। জলবায়ু পৰিৱৰ্তন সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমতী মুৰ্মুৱে এই ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা দুটা নিদৰ্শনমূলক ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতে বিশ্ব পৰ্যায়ত পৰিৱেশৰ বাবে জীৱনশৈলী অভিযান নামৰ গণ আন্দোলনত আগভাগ লৈছে। এই সন্দৰ্ভত ৰাষ্ট্ৰপতিগৰাকীয়ে বিশ্ব পৰিৱেশ দিৱসত আৰম্ভ কৰা এজোপা গছ মাতৃৰ নামত অনন্য অভিযানৰ বিষয়ে আলোকপাত কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত অদম্য সাহস আৰু নিদৰ্শনমূলক বীৰত্বৰ পৰিচয় দিয়াৰ বাবে কৰ্পোৰেল দাভি সঞ্জয় হিফ্‌ফাবাইক শৌৰ্য চক্ৰৰে সন্মানিত কৰিছে। জম্মু-কাশ্মীৰৰ শ্বাহছিতাৰৰ দোবা চূড়াৰ সমীপৰ তিনিজন সন্ত্ৰাসবাদীয়ে অতৰ্কিতে চলোৱা আক্ৰমণৰ সময়ত সাহসিকতাৰ পৰিচয় দিছিল। তেওঁ ২০১১ চনৰ ২৮ ডিচেম্বৰত বায়ুসেনাত ভৰ্তি হৈছিল। ৰাষ্ট্ৰপতিয়ে লগতে ফ্লাইট লেফটেনেণ্ট অমন সিং হংসকো শৌৰ্য চক্ৰৰে সন্মানিত কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে ভূতপূৰ্ব সাহসিকতাৰ বাবে সাতগৰাকী সৈনিকক বায়ু সেনা পদক প্ৰদান কৰিছে।

ooooo

সমগ্ৰ দেশে কাইলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্য পথত এই দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব। ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্য, সামৰিক শক্তি, সংবিধান গ্ৰহণৰ ৭৫ বৰ্ষ সম্পূৰ্ণ হোৱা আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ ওপৰত আলোকপাত কৰি কাইলৈ গণৰাজ্য দিৱসৰ কুচকাৱাজ প্ৰদৰ্শন কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এখন **ঘোঁৰা ৰাগী**ৰে কৰ্তব্য পথত উপস্থিত হোৱাৰ পাছত সুৰক্ষা বাহিনীসমূহৰ সামৰিক অভিবাদন গ্ৰহণ কৰিব। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়াণ্টো এইবাৰ এই দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই কুচকাৱাজত ইণ্ডোনেছিয়াৰ ১৬০ গৰাকী সদস্যৰ এটা দল আৰু ১৯০ গৰাকী সদস্যৰ আন এটা দলে অংশ ল'ব। **স্বৰ্ণিম ভাৰত ঃ ঐতিহ্য আৰু উন্নয়ন** বিষয়বস্তুৰে সাজি উলিওৱা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ ৩১ টা প্ৰতীকপট এই গণৰাজ্য দিৱসৰ কুচকাৱাজত অন্তৰ্ভুক্ত হ'ব। এই অনুষ্ঠানলৈ দেশৰ বিভিন্ন ক্ষেত্ৰৰ পৰা উল্লেখনীয় বৰঙণি আগবঢ়োৱা ভালেসংখ্যক ব্যক্তিক আমন্ত্ৰণ জনোৱা হৈছে। ৩৪টা শাখাত দেশৰ বিভিন্ন প্ৰান্তৰ ১০ হাজাৰ বিশেষ অমন্ত্ৰিত অতিথিয়ে এই অনুষ্ঠানত অংশ ল'ব।

ooooo

ভাৰত বিশ্বৰ সৰ্ববৃহৎ, বৈচিত্ৰ্যপূৰ্ণ, যুৱ, সৰ্বাত্মক আৰু সংবেদনশীল গণতন্ত্ৰ আৰু এয়া সঁচাকৈ গৌৰৱৰ কথা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি পঞ্চদশ ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ কাৰ্যসূচীত ভাষণ দি শ্ৰীমতী মুৰ্মৱে কয়, যে ভাৰত গণতন্ত্ৰৰ মাতৃস্বৰূপ আৰু দেশত গণতান্ত্ৰিক প্ৰক্ৰিয়া প্ৰাচীন কালৰে পৰা প্ৰৱৰ্তন হৈ আছে। ভাৰতৰ গণতন্ত্ৰ আধুনিক বিশ্বৰ বাবে এটা অনন্য উদাহৰণ বুলি তেওঁ মন্তব কৰে। তেওঁ কয় যে নিৰ্বাচনৰ সময়ত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ প্ৰভাৱশালী স্বৰূপ দেখিবলৈ পোৱা যায়। নিৰ্বাচনত মহিলাৰ বৰ্ধিত অংশগ্ৰহণ সমাজ আৰু দেশৰ সামগ্ৰিক উন্নয়নৰ এটা গুৰুত্বপূৰ্ণ চিন বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে নিৰ্বাচন আয়োগে ৮৫ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক, দিব্যাংগ ভোটদাতা আৰু দুৰণিবতীয়া অঞ্চলসমূহত বাস কৰা জনজাতীয় ভোটদাতাসকলৰ বাবে ভোটদান প্ৰক্ৰিয়া সুচল কৰ তোলাৰ উদ্দেশ্যে বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে নিৰ্বাচন আয়োজে এনে প্ৰচেষ্টাৰ মাধ্যমেৰে সৰ্বাত্মক আৰু সংবেদনশীল নিৰ্বাচনী ব্যৱস্থাপনা প্ৰণালীৰ উত্তম উদাহৰণ দাঙি ধৰিছে। ভোটগ্ৰহণৰ সৈতে জড়িত আদৰ্শ আৰু দায়িত্বসমূহ গণতন্ত্ৰৰ প্ৰধান দিশ বুলি তেওঁ প্ৰকাশ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জন ৰাম মেঘৱালে নিৰপেক্ষ আৰু শান্তিপূৰ্ণ ভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগে চলোৱা প্ৰচেষ্টাক ভূয়শী প্ৰশংসা কৰে। অনুষ্ঠানত মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয়, যে ভাৰতত ভোটদাতাৰ সংখ্যা ৯৯ কোটিৰো অধিক হৈছে আৰু দেশে শীঘ্ৰেই ১০০ কোটি ভোটদাতাৰে নতুন অভিলেখ গঢ়িব।

অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰাৰ বাবে চলোৱা অনুকৰণীয় প্ৰচেষ্টাৰ বাবে ৰাজ্য আৰু জিলা বিষয়াসকলক শ্ৰেষ্ঠ নিৰ্বাচনী প্ৰথা বঁটা প্ৰদান কৰে। এই বঁটাৰ জৰিয়তে ভোটদাতাসকলৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ উদ্যমৰ দৰে অভিনৱ জনসম্পৰ্ক অভিযান আৰু প্ৰযুক্তিৰ ব্যৱহাৰক বিশেষ স্বীকৃতি প্ৰদান কৰা হয়। দূৰদৰ্শনক ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে

সম্প্ৰচাৰ কৰা উদ্ভাৱনমূলক অনুষ্ঠানৰ বাবে এই বঁটা প্ৰদান কৰা হয়। দূৰদৰ্শনৰ সঞ্চালক প্ৰধান কাঞ্চন প্ৰসাদে এই বঁটা গ্ৰহণ কৰে।

ooooo

দিল্লীত বিজেপি ক্ষমতালৈ আহিলে দলটোৱে ৰাজধানীখনত ৫০ হাজাৰ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি দিব বুলি প্ৰতিশ্ৰুতি দিছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে সমাগত দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে আজি বিকশিত দিল্লী সংকল্পপত্ৰ শীৰ্ষক দলীয় ইস্তাহাৰৰ তৃতীয় তথা অন্তিম অংশ মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত শ্ৰী শ্বাহে দিল্লীত বিজেপিয়ে চৰকাৰ গঠন কৰিলে মহানগৰীখনত স্বতন্ত্ৰভাৱে কাম কৰা অস্থায়ী কৰ্মীসকলক ১০ লাখ টকাৰ জীৱন বীমা আৰু ৫ লাখ টকাৰ দুৰ্ঘটনা বীমাৰ সুবিধা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। তদুপৰি ২০ হাজাৰ কোটি টকা ব্যয়ৰে সংহত ৰাজহুৱা পৰিবহন ব্যৱস্থা বিকশাই তোলা হ'ব বুলিও শ্ৰী শ্বাহে প্ৰতিশ্ৰুতি দিয়ে। দিল্লীত ১০০ শতাংশই বৈদ্যুতিক বাছ চলাচল কৰা মহানগৰ হিচাপে গঢ়ি তোলা হ'ব বুলিও তেওঁ কয়। শ্ৰী শ্বাহে লগতে পৰ্যটনৰ উন্নয়নৰ লক্ষ্যৰে হাৰিয়ানা আৰু উত্তৰ প্ৰদেশ চৰকাৰৰ সহযোগিতাত মহাভাৰত কৰিড'ৰ নিৰ্মাণ আৰু যমুনা নৈৰ পাৰৰ সৌন্দৰ্যবৰ্ধন কৰা হ'ব বুলিও ঘোষণা কৰে।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি টুৱেণ্টি ক্ৰিকেট শৃংখলা  দ্বিতীয়খন খেল চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়াম অনুষ্ঠিত হৈছে।  খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহা পৰলৈকে ৯ অভাৰত ৩টা উইকেট হেৰুৱাই ৭৪ ৰান সংগ্ৰহ কৰিছে। ভাৰতে এই ৫ খনীয়া টি টুৱেণ্টি শৃংখলাৰ প্ৰথমখন খেলত  ৭ উইকেটত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলেৰে আগবাঢ়ি আছে।

ooooo

সমাপ্ত